# অসম বিধান সভা
**উত্তৰদানৰ তাৰিখ- ২২/০৭/২০২৬**
**তৰাবিহীন প্ৰশ্ননং- ৪৪০**
***বিষয়* ঃ সীমান্ত অঞ্চলৰ উন্নয়নৰ সন্দৰ্ভত**
**বিধায়ক - শ্ৰীপবিত্ৰ ৰাভা ঃ**

**মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

অসমৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ উন্নয়নৰ বাবে চৰকাৰে কোনো বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে নেকি ? যদি কৰিছে, তেন্তে জিলাভিত্তিক বিৰৰণ দিব।

**<u>উত্তৰ</u>**

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

অসমৰ আন্তঃৰাজ্যিক সীমান্তৱৰ্তী অঞ্চলসমূহৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে প্ৰতি বছৰে বাজেটত ৰাজ্যৰ নিজস্ব অগ্ৰাধিকাৰ ভিত্তিক উন্নয়ন (State Own Priority Development) ৰ অধীনত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ বাবে পুঁজি নিৰ্ধাৰণ কৰে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটত নিৰ্ধাৰিত পুঁজিৰ সাপেক্ষে আন্তঃৰাজ্যিক সীমান্তত অৱস্থিত জিলা সমূহৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ উন্নয়নৰ বাবে আঁচনিসমূহ লোৱা হ'ব।

ইয়াৰ উপৰিও অসমৰ সীমান্তৱৰ্তী আন্তঃৰাষ্ট্ৰীয় অঞ্চলসমূহ উন্নয়নৰ বাবেও কেন্দ্ৰীয় চৰকাৰে ৯ খন জিলাক সামৰি Vibrant Village Programme - II নামেৰে ২০২৫-২৬ বৰ্ষৰ পৰা নতুন আঁচনি এখন শুভাৰম্ভ কৰিছে। সেই জিলা কেইখন হ'ল- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ, ওদালগুৰি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি। এই আঁচনিৰ অধীনত উন্নয়ন কৰিব বিচৰা ৪ টা বিষয় ভিত্তিক ক্ষেত্ৰ হ'ল :-১. সৰ্বকালীন পথ সংযোগ (All Weather Road Connectivity), ২. দূৰসংযোগ সংযোগ (Telecom Connectivity), ৩. দূৰদৰ্শন সংযোগ (Television Connectivity ) আৰু ৪. বিদ্যুৎ গ্ৰীদ সংযোগ (On-Grid Electrification) । উক্ত আঁচনিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ আন্তঃগাঁথনিৰ লগতে সামাজিক উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে।

বিঃদ্ৰঃ - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

********